# 2013

## ASSAMESE

## ( Modern Indian Language )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। পোনপটীয়া উত্তৰ দিয়া : ১×১০=১০

(ক) চিহ্নযাত্ৰা কি ?

(খ) 'মহৰী' কোন শ্ৰেণীৰ নাটক ?

(গ) দৰঙী মন্ত্ৰী কোন ?

(ঘ) 'এজাক জোনাকীৰ জিলমিল' নাটকৰ নায়িকা কোন ?

(ঙ) অংকৰ গীত কি ?

(চ) 'শৰাগুৰি চাপৰি'ৰ মুখ্য নাৰী চৰিত্ৰটি কোন ?

(ছ) 'মহৰী' নাটকৰ নায়ক কোন ?

(জ) আজান ফকিৰ অসমলৈ আহি প্ৰথম ক'ত বাস কৰিছিল ?

(ঝ) "মোৰ মৰিবৰ দিন গণিবৰ সময় হৈছে। মই বুঢ়া হৈছো। কিন্তু তই জান, মোৰ এটা সন্তান আছে।" সন্তানটোৰ নাম কি?

(ঞ) "গোপ-গোপী সহিতে নন্দ-যশোদা হা কৃষ্ণ হা কৃষ্ণ বোলি হ্রদত জাপ দিতে যায়।" তেওঁলোকক কোনে আগভেটি বাধা দিছিল?

২। অতি চমু উত্তৰ দিয়া : ২×৫=১

(ক) "তদনন্তৰ গোকুলত নানা বিমংগল মিলিল।" গোকুলত কেনে বিমংগল মিলিছিল?

(খ) "উভয়েকে আধা হামি পাবে আধা তুমি পাবে।" কোনে, কাক, কিহৰ কথা কৈছে?

(গ) বিজুলীয়ে Poor Scholarshipৰে কাৰ বাবে, কি আনিছিল?

(ঘ) শৰাগুৰি কি আৰু ক'ত অৱস্থিত?

(ঙ) সন্ত্ৰাসবাদী তিনিজনে মহাবিদ্যালয়খনত কিয় বাহৰ পাতিছিল?

৩। চমুকৈ উত্তৰ দিয়া : ৫×৪=২০

(ক) "ঐচন পুত্ৰশোকে তাপিত হুৱা যশোদা যৈচে বিলাপ কয়ল।" যশোদাই কেনেকৈ বিলাপ কৰিছিল, লিখা।

(খ) "চাচোন বাৰু, বহি খালে কুবেৰৰ ভঁড়ালো উদং হয়।" কোনে, কাক, কিয় কৈছিল, লিখা।

(গ) ‘‘ধৰ্ম, ঈশ্বৰ, আল্লা মানুহৰ বাবেহে। আগতে মানুহ হৈ লোৱা। তাৰ পিছত ধৰ্মৰ নাম ল’বা।’’ ব্যাখ্যা কৰা।

(ঘ) ‘‘পিছলৈ চালে মই মাক দেখা নাপাওঁ, দেউতাক দেখা নাপাওঁ আৰু আগলৈ চাব খুজিলে তহঁতে মোক চাবলৈ নিদিয়।’’ কোনে, কাক, কিয় কৈছিল, লিখা।

৪। (ক) ‘কালিয় দমন’ নাটখনৰ কথাবস্তু কি কি গ্ৰন্থৰ পৰা লোৱা হৈছে? নাটখনত নাট্যকাৰৰ মৌলিকতা বিচাৰ কৰা। ১০

*অথবা*

‘কালিয় দমন’ নাটখনিক কিয় ৰূপকাত্মক নাট বুলিব পাৰি, আলোচনা কৰা।

(খ) ধেমেলীয়া নাট হিচাপে ‘মহৰী’ নাটকখন বিচাৰ কৰা। ১০

*অথবা*

মিষ্টাৰ ফক্স আৰু মাকৰী মেমৰ চৰিত্ৰ দুটা বিশ্লেষণ কৰা।

(গ) ‘‘ ‘শৰাগুৰি চাপৰি’ বুৰঞ্জীও নহয়, জীৱনীও নহয়, নাটকহে।’’ ‘শৰাগুৰি চাপৰি’ৰ নাট্যকাৰৰ নিজৰ এই মন্তব্য বিচাৰ কৰা। ১০

*অথবা*

ধৰ্মীয় সহিষ্ণুতা আৰু সমন্বয়-সম্প্ৰীতিৰ বাণীৰে আজান ফকিৰৰ চৰিত্ৰটো কেনেদৰে মহীয়ান হৈছে, আলোচনা কৰা।

(ঘ) 'এজাক জোনাকীৰ জিলমিল' নাটকখনত নাট্যকাৰৰ কি দৃষ্টিভংগী আৰু নাট্যবাৰ্তা প্ৰকাশিত হৈছে, আলোচনা কৰা। ১০

*অথবা*

'এজাক জোনাকীৰ জিলমিল' নাটকখনৰ সফল মঞ্চায়নৰ কাৰণে নাট্যকাৰে কি কি কলা-কৌশল আৰু ব্যৱস্থা গ্ৰহণ কৰিছে, আলোচনা কৰা।

★★★